পাঠ – ৬

# নোকোৰাৰ পৰিণাম

*সমাজত মানৱতাক জীয়াই ৰাখিবলৈ হ'লে আমাৰ সকলোৰে এটি সুস্থ সবল মনৰ প্ৰয়োজন। মনটো সুস্থ সবল কৰি ৰাখিবলৈ আমি সমাজখনকো কু-সংস্কাৰৰ পৰা মুক্ত কৰিব লাগিব। সমাজত চলি থকা অন্ধবিশ্বাসৰ ফলত মহিলাসকলেই আটাইতকৈ বেছি নিৰ্যাতিত হ'বলগীয়া হয়। অন্ধবিশ্বাসৰ কাৰণে বহু সময়ত মানুহে বেমাৰ-আজাৰ লুকুৱাই ৰাখে। পাছলৈ গৈ এনে ৰোগ দুৰাৰোগ্য ব্যাধিত পৰিণত হয়। ইয়াৰ ফল বৰ বিষময় হয়। 'নোকোৰাৰ পৰিণাম' নাটিকাখনিত তাকেই চিত্ৰায়িত কৰা হৈছে।*

**চৰিত্ৰৰ পৰিচয়—**

| | | |
|---|---|---|
| মালতী, শৈলবালা, হুনমিলি | — | তিনিওগৰাকী সপ্তম শ্ৰেণীত পঢ়ি থকা ছাত্ৰী। |
| ফুলমতী কুৰ্মী | — | বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী। |
| বসন্ত পেগু | — | চিকিৎসক। |
| বাহাৰুল ইছলাম | — | বিদ্যালয়ৰ সহকাৰী শিক্ষক |

ঘোষকসহ বিদ্যালয়ৰ আন আন ছাত্ৰ-ছাত্ৰীসকল।

১ম দৃশ্য

শস্য-শ্যামলা এখন গাঁৱৰ দোকমোকালিৰ চিত্ৰ।



মালতী : বকুল ফুলৰ গোন্ধ পালেই মনটো ভৰি উঠে, নহয়নে শৈল?

শৈলবালা : ও, কৈছাহে নে? ইমান সুগন্ধি ফুল!

হুনমিলি ঃ কাইলৈৰ পৰা আমাৰ গ্ৰীষ্ম বন্ধ ঘোষণা কৰিব নহয়, আজি অলপ বেছিকৈ ফুল বুটলিম দেই। এই ফুলৰ মালাৰেই ছাৰ, বাইদেউ সকলোকে শ্ৰদ্ধা আৰু সম্ভাষণ জনাব পাৰিম।

মালতী ঃ মোৰ মনৰ কথাষাৰকে কৈছা, হুনমিলি। চোৱাচোন্! ফুলবোৰ কিমান সতেজ আৰু জীপাল!

শৈলবালা ঃ এতিয়া কথাৰ মহলা মাৰি থাকিলেই হ'বনে? ন বাজিবই চোন গা-পা ধুই ভাতকেইটা নাকে-মুখে গুজি বিদ্যালয়লৈ ঢাপলি মেলিবৰ হ'বই দেখোন।

হুনমিলি ঃ ঠিকেই কৈছা। সময়ৰ টিকনিডাল হেনো আগফালে উৰে। ব'লা ব'লা...

২য় দৃশ্য

*[বিদ্যালয়ৰ চৌহদ। মূল পথৰ পৰা বিদ্যালয়লৈ প্ৰৱেশ কৰা উপপথটিৰ দুয়োফালে কেইজোপামান নাহৰ গছে অনুপম শোভা বৰ্ধন কৰিছে। বিদ্যালয়ৰ নাতিদূৰত আছে বিশাল এক ৰাজহুৱা পুখুৰী। গ্ৰীষ্ম বন্ধ ঘোষণা উপলক্ষে বিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হৈছে এখনি প্ৰীতিমেল]*

প্ৰধান শিক্ষয়িত্ৰী ঃ মৰমৰ ছাত্ৰ-ছাত্ৰীসকল, আমি আশা কৰোঁ তোমালোকে গৰমবন্ধৰ কালছোৱাৰ সদ্ব্যৱহাৰ কৰিবা। ঘৰুৱা কামত মাৰা-দেউতাৰাক সহায়ৰ হাত আগবঢ়োৱাৰ লগতে স্থানীয় পুথিভঁৰাললৈ গৈ দুই এখন বাহিৰা কিতাপ-পত্ৰও পঢ়িবা। তেতিয়া হ'লেহে মনৰ দুৱাৰ অধিক মুকলি হ'ব।

শিক্ষক ঃ বাইদেৱে তোমালোকক কৰ্তব্যৰ বিষয়ে সোঁৱৰাই দিলেই। খন্তেক পাছতে আমি সাংস্কৃতিক কাৰ্যক্ৰমৰ পাতনি মেলিম। তোমালোকৰ ফালৰ পৰা কেইগৰাকীমানে এষাৰকৈ ক'লে 'সোণত সুৱগা চৰা' যেন হ'ব।


মালতী ঃ নমস্কাৰ। (ছাৰ-বাইদেউসকলক প্ৰণাম জনাই) প্ৰথমতে আমি বকুল ফুলৰ মালা একোধাৰি ছাৰ-বাইদেউসকলক অৰ্পণ কৰিবলৈ বিচাৰিছোঁ। (সতীৰ্থসকলৰ প্ৰতি লক্ষ্য কৰি) দায়িত্বত থকাসকল অনুগ্ৰহ কৰি আগবাঢ়ি আহা।

শিক্ষক ঃ নিশ্চয়। তোমালোকৰ এই মৰমৰ উপহাৰ আমি আন্তৰিকতাৰে গ্ৰহণ কৰিম। (মালতী, শৈলবালা আৰু হুনমিলিকে ধৰি আন আন ছাত্ৰ-ছাত্ৰীয়ে শিক্ষক-শিক্ষয়িত্ৰীসকলক ফুলৰ মালা অৰ্পণ কৰিব)

৩য় দৃশ্য

*[সাংস্কৃতিক কাৰ্যক্ৰমৰ আৰম্ভণি। বিদ্যালয়ৰ অস্থায়ী প্ৰেক্ষাগৃহৰ আছুতীয়া ঠাইত শিক্ষক-শিক্ষয়িত্ৰীসকলে আসন গ্ৰহণ কৰিছে। অনুষ্ঠানৰ পাতনি মেলা হৈছে শ্ৰীশ্ৰী মাধৱদেৱৰ বিৰচিত 'তেজৰে কমলাপতি'.... বৰগীতটিৰে।]*

ঘোষক ঃ এইবাৰ কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ 'বিলতে হালিছে' গীতটিৰ ভিত্তিত ৰচিত এখনি নৃত্য-আলেখ্য আগবঢ়োৱা হ'ব। পৰিৱেশন কৰিব শ্ৰীমতী হুনমিলি আৰু তেওঁৰ সতীৰ্থসকলে। (ছোঁ-ঘৰত শৈলবালা, মালতী, হুনমিলিহঁতৰ কথোপকথন শুনা যাব।)



শৈলবালা ঃ আমি ততাতৈয়াকৈ আৰম্ভ কৰোঁ আহা; নহ'লে ছাৰ-বাইদেউসকলে আমনি পাব।

হুনমিলি ঃ এৰা, ৰিহাখন ঠিক-ঠাক কৰি লওঁ, ৰ'বা। শৈল, ফোঁটটো লৈ লোৱা।

মালতী ঃ ব'লা, আমি নৃত্য আলেখ্যখন আৰম্ভ কৰোঁগৈ - (তেওঁলোকে মঞ্চত প্ৰৱেশ কৰি বিষ্ণুৰাভাৰ 'বিলতে হালিছে....' গীতটিৰ তালে তালে নাচিবলৈ আৰম্ভ কৰিলে)

*(নৃত্যৰত অৱস্থাতে হঠাৎ শৈলবালা মূৰ্চ্ছা গৈ বাগৰি পৰিল। সকলোফালে হুৱা-দুৱা লাগিল। 'কি হ'ল, কি হ'ল' বুলি, ছাত্ৰ-ছাত্ৰীৰ লগতে শিক্ষক-শিক্ষয়িত্ৰীসকলো উধাতু খাই আহিল)*

হুনমিলি ঃ মালতী, শৈলক ধৰাচোন। আমি দাংকোলাকৈ নি বাইদেউৰ কোঠাতে থওঁগৈ।

প্ৰধান শিক্ষয়িত্ৰী ঃ ব'লা, আৰু এজনীয়ে ধৰাচোন। চাবাহঁক, যাতে কষ্ট নাপায়। (শৈলক প্ৰধান শিক্ষয়িত্ৰীৰ আহল-বহল কোঠালৈ নি শুৱাই থোৱা হ'ব)

হুনমিলি ঃ এতিয়া আকৌ বিদ্যুতেই নাই। কোনোবাই এখন বিচনী আনিবানে? শৈলক বিচিব লাগে।

মালতী ঃ বাইদেউ, মূৰ্চ্ছা গৈছে বাবে চামৰাৰ চেণ্ডেল এপাটকে শৈলক শুঙাই দিওঁনে? মূৰ্চ্ছা গ'লে আইতাহঁতে এনে কৰা দেখিছোঁ। *(মালতীয়ে চেণ্ডেল এপাট খুলিবলৈ উদ্যত হ'ব)*

প্ৰধান শিক্ষয়িত্ৰী ঃ নাই নাই! চেণ্ডেলপাট মুখত লগাবানে? বনৌষধি কিবা এবিধ লগোৱাৰ কথা হ'লেও বেলেগ কথা। *(শিক্ষয়িত্ৰীৰ কথাত মালতী থমকি ৰ'ব)।*

হুনমিলি ঃ (ফেঁকুৰি, ফেঁকুৰি) এতিয়া শৈলৰ কি হ'ব?


শিক্ষক ঃ ৰ'বাচোন, বেছি চিন্তা নকৰিবা।

প্ৰধান শিক্ষয়িত্ৰী ঃ ইছলাম, চিকিৎসক পেগুক এতিয়াই লৈ আহক।

শিক্ষক ঃ হ'ব বাইদেউ, মই এতিয়াই ডাক্তৰক লৈ আহিম। আপুনি মাত্ৰ শৈলই যাতে মুকলি বতাহ পাই থাকে তালৈ লক্ষ্য ৰাখিব।

৪র্থ দৃশ্য

*[প্ৰধান শিক্ষয়িত্ৰীৰ কোঠাত ডা° পেগুৱে শৈলবালাক চিকিৎসা কৰি আছে। সকলোৰে চকুৱে মুখে উদ্বিগ্নতাৰ চিন। মালতীয়ে শৈলক লাহে লাহে বিচি থাকে]*



প্ৰধান শিক্ষয়িত্ৰী : ডা°পেগু,ছোৱালীজনীৰ হঠাৎ কি হ'ল? ধৰিব পাৰিছেনে বাৰু?

ডা° পেগু : (খন্তেক চিন্তা কৰি গম্ভীৰভাৱে ক'ব) এয়া হঠাৎ সংঘটিত হ'লেও কাৰণটো কিন্তু অকস্মাৎ উদ্ভৱ হোৱা নহয়।

শিক্ষক : (ডাক্তৰলৈ লক্ষ্য কৰিব) মানে? আপুনি কি ক'ব বিচাৰিছে?

ডা° পেগু : ক'ব বিচাৰিছোঁ মানে.....। আচলতে ছোৱালীজনীৰ এক গুৰুতৰ অসুখ আছে। তেওঁ যোৱা কেইবাবছৰ ধৰি মৃগী ৰোগত ভুগি আছে। মাক-দেউতাকেও এই কথা নিশ্চয় জানে। কিন্তু, ছোৱালীজনীক আনে বেমাৰী বুলি হাঁহিব পাৰে বুলি সংকোচ কৰি বোধকৰোঁ মাক-দেউতাকে চিকিৎসাৰ ব্যৱস্থা কৰা নাই। (ইতিমধ্যে শৈলবালা কিছু সুস্থিৰ হ'ল)

প্ৰধান শিক্ষয়িত্ৰী : (আচৰিত হৈ) কি কয় আপুনি?

ডা° পেগু : হয়, এয়া এক নিৰ্মম বাস্তৱ। কুসংস্কাৰ আৰু লোক নিন্দাৰ ভয়ত অনেক লোকে সন্তানৰ বেমাৰ লুকুৱাই ৰাখে। পাছলৈ ই হয়গৈ সৰ্বনাশৰ মূল। কেতিয়াবা হয়তো ই দুৰাৰোগ্য ৰূপো লয়।বহুতে কৈশোৰ কালৰ দৈহিক পৰিৱৰ্তন সম্পৰ্কে গুৰুত্ব নিদিয়ে। ফলত অবাঞ্ছিত পৰিস্থিতিৰ মুখামুখিও হয়। গতিকে তেওঁলোকে সন্মুখীন হোৱা সমস্যাসমূহক লুকুৱাই নাৰাখি অভিভাৱকৰ লগত মুকলি মনেৰে আলোচনা কৰিব লাগে। মোৰ অনুৰোধ, পিতৃ-মাতৃ, অভিভাৱক আৰু সমাজে কৈশোৰ কালত দেখা দিয়া বিভিন্ন সমস্যাক গুৰুত্ব দি উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব লাগে। লগতে আপোনালোকে এই সম্পৰ্কে মুকলিকৈ ছাত্ৰ-ছাত্ৰীৰ লগত আলোচনা কৰিব পাৰে।

শিক্ষক ঃ ইচ্, এইবোৰ বৰ বেয়া কথা। বেমাৰ হ'লে সময়মতে চিকিৎসা কৰাব লাগে।

ডাº পেগু ঃ যিয়েই নহওক, এতিয়া মই প্রয়োজনীয় ঔষধ-পাতি লিখি দিছোঁ। ছোৱালীজনীৰ অভিভাৱকক বিতংভাৱে জনাব। চাব, যাতে হিতে বিপৰীত নহয়।

প্রধান শিক্ষয়িত্রী ঃ হ'ব, ডাº পেগু। আপোনাক অশেষ ধন্যবাদ (মালতীহঁতলৈ লক্ষ্য কৰি) মালতী, তোমালোকে বুজিলানে?

মালতী ঃ বুজিলোঁ বাইদেউ, উপলব্ধিও কৰিছোঁ— নোকোৱাৰ পৰিণাম কি ভয়ানক!

*(সকলোৱে প্রস্থান)*

**ক্রিয়া-কলাপ**

## ক— পাঠভিত্তিক ক্রিয়া

১। **নাটিকাখনিৰ কথাখিনি কাহিনী আকাৰে কোৱা।**

২। **নাটিকাখনিৰ সংলাপবোৰ অভিনয়ৰ যোগেদি শ্রেণীত উপস্থাপন কৰা।**

৩। **উত্তৰ দিয়া।**

(ক) হুনমিলি, শৈলহঁতে কিয় বকুল ফুল বুটলিছিল?

(খ) 'চোৱাচোন! ফুলবোৰ কিমান সতেজ আৰু জীপাল!'— কথাষাৰি কোনে কাক কৈছিল?

(গ) সাংস্কৃতিক অনুষ্ঠানৰ আৰম্ভণিত কোনটো গীত গাইছিল?

(ঘ) নাচি থাকোঁতে কোন মূৰ্চ্ছা গৈছিল?

(ঙ) শৈলবালাই ভুগি থকা বেমাৰটোৰ নাম কি?

(চ) 'সময়ৰ টিকনিডাল হেনো আগফালে উৰে'— এই বাক্যশাৰী কোনে, কি প্রসংগত কৈছিল?

৪। **প্রসংগ-সংগতি দৰ্শাই ব্যাখ্যা কৰা।**

'কু-সংস্কাৰ আৰু লোক নিন্দাৰ ভয়ত অনেক লোকে সন্তানৰ বেমাৰ লুকুৱাই ৰাখে। সময়ত ই হয়গৈ সৰ্বনাশৰ মূল।'

৫। **মালতীয়ে শৈলবালাক চেঙেল শুঙাবলৈ উদ্যত হওঁতে প্রধান শিক্ষয়িত্রীয়ে কি বুলি বাধা দিছিল?**

৬। **দলত আলোচনা কৰি লিখা।**

*উপযুক্ত সময়ত বেমাৰৰ চিকিৎসা নকৰিলে পৰিণাম কি হ'ব পাৰে?*

## খ — ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)

**জানো আহা**

'..........বোধকৰোঁ মাক-**দেউতাকে** চিকিৎসাৰ ব্যৱস্থা কৰা নাই'।

পাঠত পোৱা ওপৰৰ বাক্যটোত থকা **দেউতাকে** পদটো সম্বন্ধবাচক, **দেউতা** শব্দটোৰ লগত প্ৰথমতে **-ক** আৰু তাৰ পাছত **-এ** বিভক্তি লগ লাগি গঠিত হৈছে।

সম্বন্ধবাচক শব্দত বিভক্তি লগাই কথা কোৱাটো অসমীয়া ভাষাৰ এটা বিশেষ বৈশিষ্ট্য। সেইকাৰণে ককা, আইতা, ভাই, ভনী, খুৰা, খুৰী আদি বিশেষ্য শব্দ যাৰ লগত সম্বন্ধযুক্ত হয়, তাৰ মান অনুসৰি অনাদৰত **-ৰ, -এৰ**, আদৰত -ৰা, -এৰা আৰু মান্যাৰ্থত **-ক, -অক** লগ লাগে। তাৰ পাছতহে কাৰক বিভক্তি যোগ হয়। উদাহৰণ স্বৰূপে —

- তোৰ দেউতাৰে (দেউতা+ৰ+এ) খেতি-বাতি কৰিছিল।
- তোমাৰ আইতাৰাই (আইতা+ৰা+ই) বিয়ানাম গাইছে।
- তেওঁৰ ককাকে (ককা+ক+এ) সাধুকথা কয়।
- তেখেতৰ খুৰাকে (খুৰা+ক+এ) বেহেলা বজায়।
- সিহঁতৰ মাকে (মা+ক+এ) তাঁত বয়।

৭। **তলৰ সম্বন্ধবাচক শব্দকেইটা ভাঙি দেখুওৱা —**

মাৰা, ভায়েৰ, ভনীয়েৰা, খুড়ীয়েকক

*প্ৰয়োজন সাপেক্ষে ব্যাকৰণ পুথিৰ সহায় ল'ব।*

**জানো আহা**

(ক) সৰ্বনাশ! চেঙেলপাট মুখত লগাবানে?

(খ) শৈল, ফোঁটটো লৈ লোৱা।

(গ) এৰা, ৰিহাখন ঠিক-ঠাক কৰি লওঁ ৰ'বা।

ওপৰৰ প্ৰথম বাক্যটোত চেঙেল শব্দৰ লগত লগ হোৱা **পাট**, ফোট শব্দৰ লগত **টো** আৰু ৰিহা শব্দৰ লগত **খন** যোগ হৈছে। এনেদৰে শব্দত যোগ হোৱা **-পাট**, **-টো**, **-খন** আদিক নিৰ্দিষ্টতাবাচক প্ৰত্যয় বোলে।

অসমীয়া ভাষাত ইয়াৰ বাহিৰে **-জন, -জনী, -গৰাকী, -টো, -টি, -টা, -কণ, -কণি, -খিলা, -চটা, -ডাল, -ডালি, -খন, -খনি, -গছ, -গছি, -পাট, -পাটি** আদি বহুতো নিৰ্দিষ্টতাবাচক প্ৰত্যয় আছে। (যিহেতু এইবোৰ মূল শব্দৰ পাছত বহে সেই কাৰণে, তাৰ আগত এডাল (-) দিয়া হৈছে। কিন্তু প্ৰয়োগৰ সময়ত (-) ডালৰ প্ৰয়োজন নাই। যেনেঃ -পাট, চেঙেলপাট)।

৮। **বাওঁফালে দিয়া শব্দবোৰৰ লগত সোঁফালে থকা নিৰ্দিষ্টতাবাচক প্ৰত্যয়বোৰ মিলোৱা।**

| ক | খ |
|---|---|
| পাণ | গৰাকী |
| বহী | জনী |
| ল'ৰা | খিলা |
| ছোৱালী | খন |
| মহিলা | টো |

৯। **'চোৱাচোন! ফুলবোৰ কিমান সতেজ আৰু জীপাল!'— এই বাক্যটিত থকা 'জীপাল' শব্দটো জীপ শব্দৰ লগত -'আল' প্ৰত্যয় যোগ হৈ 'জীপাল' শব্দ গঠিত হৈছে। তেনেদৰে তলৰ শব্দকেইটা গঠন কৰা—**

| | | |
|---|---|---|
| ৰস | -আল | |
| ভয় | | |
| উম | | |
| খং | | |

## গ— জ্ঞান সম্প্ৰসাৰণ

১০। নাটিকাখনিৰ প্ৰথম দৃশ্যৰ লগত থকা ছবিখন চোৱা আৰু ছবিখনত দেখা কথাখিনি বৰ্ণনা কৰা।

১১। পঢ়োঁ আহা —

| |
|---|
| কদমণি গাঁও নিবাসী ৩৫ বছৰীয়া কুলেন চন্দ্ৰ দাসে কৃষিকৰ্ম কৰি জীৱিকা নিৰ্বাহ কৰে। সেইদিনা দেওবাৰ, তেওঁ পুৱতিনিশা ওচৰৰে বিলত মাছ মাৰিবলৈ গৈছিল। মাছ মাৰি থাকোঁতে হঠাতে তেওঁক বিষাক্ত সাপে দংশন কৰিলে। তেওঁ লৰালৰিকৈ ঘৰলৈ আহি কথাটো পৰিয়ালক জনালে। ঘৰখনত হুৰা-দুৰা লাগিল। ককায়েকে ততাতৈয়াকৈ ওজাক মাতি আনি জৰা-ফুঁকা আৰম্ভ কৰিলে। পিছে লাহে লাহে ৰোগীৰ অৱস্থা বেয়াৰ ফাললৈ ঢাল খালে। সৰ্প দংশনৰ বাতৰি গোটেই গাঁৱতে বিয়পি পৰিল। স্থানীয় প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক অৰ্জুন শৰ্মাই কথাটো শুনি দাসৰ ঘৰলৈ আহিল। তেখেতে লগে লগে ১০৮ সেৱাক মাতি দাসক চিকিৎসালয়লৈ নিয়াৰ ব্যৱস্থা কৰিলে। চিকিৎসালয়ত চিকিৎসকৰ আশাসুধীয়া চেষ্টাৰ ফলত দাসৰ স্বাস্থ্য ক্ৰমে ভাললৈ আহিবলৈ ধৰিলে। আজিৰ যুগতো এনেধৰণে জৰা-ফুঁকা কৰা কাৰ্যৰ বাবে দাসৰ পৰিয়ালক সকলোৱে সমালোচনা কৰিলে। |

১২। তোমাৰ গাঁৱত বা ওচৰ-চুবুৰীয়াই এনেধৰণৰ সমস্যা (সৰ্প দংশন, জণ্ডিচ, বসন্ত) আদিত পৰিলে তুমি কেনে ধৰণৰ মতামত আগবঢ়াবা আৰু কি ধৰণে সহায় কৰিবা কোৱা।

১৩। তুমি নিশ্চয় ভাওনা, ভ্ৰাম্যমাণ থিয়েটাৰৰ নাটক আৰু দূৰদৰ্শনৰ নাটক বা ধাৰাবাহিক চাইছা। তুমি চাই আনন্দ লভা এনে নাটকসমূহৰ এখন তালিকা প্ৰস্তুত কৰা।

## ঘ—প্ৰকল্প

১৪। বিদ্যালয়ৰ 'গ্ৰীষ্মকালীন শিবিৰত' অনুষ্ঠিত হোৱা বিভিন্ন অনুষ্ঠানৰ (চিত্ৰাংকন, নৃত্যগীত, অভিনয়, আবৃত্তি আদিৰ) বিষয়ে বৰ্ণনা কৰি এখন প্ৰতিবেদন প্ৰস্তুত কৰা।